# Passport Officer's Conference 2015,New Delhi(Assamese Translation)

## পাচপোৰ্ট বিষয়া সকলৰ সন্মিলন ২০১৫ নতুন দিল্লী

১.পাচপোৰ্ট সেৱা দিবস উদযাপন উপলক্ষে ২৩-২৬ জুন ২০১৫ তাৰিখে জৱাহৰলাল নেহেৰু ভৱনত চাৰিদিনীয়া কাৰ্য্যসূচীৰে পাচপোৰ্ট বিষয়াসকলৰ সন্মিলনৰ আয়োজন কৰা হয় ।সাতত্ৰিশ গৰাকী পাচপোৰ্ট বিষয়াই সন্মিলনত অংশগ্ৰহন কৰে ।

২. বিদেশ মন্ত্ৰনালয়ে ২৪ জুন তাৰিখটো পাচপোৰ্ট সেৱা দিবস হিচাপে স্মৰন কৰে,কাৰণ এই দিনটোতে পাচপোৰ্ট আইন ১৯৬৭ ৰচিত হৈছিল ।এই আইন ভাৰতে পাচপোৰ্ট জাৰি কৰা আৰু ভ্ৰমণ সম্পৰ্কীয় দস্তাবেজ প্ৰস্তুত কৰাৰ বিষয়ে এক দৃঢ় আইনী ফ্ৰেমৱৰ্ক ভিত্তি প্ৰস্তুত কৰিছিল ।

৩.বিদেশমন্ত্ৰী শ্ৰীমতী সুষমা স্বৰাজে তেওঁৰ সামৰনি ভাষণ প্ৰসংগত পাচপোৰ্ট জাৰি কৰা কতৃপক্ষক হৃদয়ৰ পৰা অভিনন্দন জনাই ।যিহেতু তেওঁলোকে যোৱা বছৰ ধাৰ্য্য কৰা লক্ষ্য সীমা পূৰণ কৰিব পাৰিছে আৰু নিৰন্তৰ কৰা পৰিশ্ৰম আৰু আত্মনিয়োগৰ মাধ্যমেৰে প্ৰয়োজনীয় বাধাসমূহ অতিক্ৰম কৰিছে ।তেওঁ কয় যে পাচপোৰ্ট কাৰ্য্যলয়ৰ ক্ষিপ্ৰতা,ইতিবাচক মনোভাৱ আৰু গুনগত সেৱাৰ বাবে জনসাধাৰণে প্ৰশংসা কৰিছে ।বিগত এটা বছৰত মন্ত্ৰণালয়ে এককোটীৰ ওপৰত পাচপোৰ্ট জাৰি কৰা ,বিভিন্ন পাচপোৰ্ট সেৱা কেন্দ্ৰত(পিএচকে)সপ্তাহতে পাঁচশৰো অধিক পাচপোৰ্ট মেলাৰ আয়োজন কৰা আৰু পাচপোৰ্ট সেৱাৰ নাগৰিক সকলৰ পদুলীলৈ প্ৰৰম কৰাৰ বাবে দেশৰ দূৰৈৰ প্ৰান্তৰত এশ পাচপোৰ্ট সেৱা শিবিৰৰ আয়োজন কৰা হৈছে ।এই চৰকাৰ ক্ষমতালৈ অহাৰ পাছত উত্তৰ-পূৱত চাৰিটা আৰু কৰ্ণাটকত এটা পিএচকে বাস্তৱত ৰূপায়িত কৰা হৈছে ।ফলত দেশত মুঠ পিএচকেৰ সংখ্যা ৮২ টা হৈছে ।বিশেষভাৱে উল্লেখ্য যে যোৱা মাহত এবাৰ চেষ্টাতে পাচপোৰ্ট সেৱাই চিনিখন আইএচও ৰ প্ৰশংসা পত্ৰ পায় ।

৪. মন্ত্ৰী গৰাকীয়ে এমপাচপোৰ্ট পুলিছ ভেৰিফিকেশ্বনৰ নমুনাৰ শুভাৰম্ভ কৰিছে যিটো অ্যাপে(app)য়ে পুলিছ ভেৰিফিকেশ্বণৰ প্ৰক্ৰিয়াত এক বিপ্লব কঢ়িয়াই আনিব আৰু লগতে শুভাৰম্ভ কৰা এখনি ই-বুক(e-Book)ত সকলো পাচপোৰ্ট সম্বন্ধীয় তথ্য সন্নিবিষ্ট থাকিব ।

৫.নাগৰিক সকলক উতকৃষ্ট সেৱা আগবঢ়োৱাৰ স্বীকৃতি স্বৰূপে মন্ত্ৰী গৰাকীয়ে উচ্চ মানদণ্ডৰ সেৱা প্ৰদানৰ সৰ্ব্বশ্ৰেষ্ঠ পাচপোৰ্ট সেৱা কেন্দ্ৰ আৰু তাৰ কৰ্মীসকলক পুৰস্কৃত কৰে ।যিহেতু পাচপোৰ্ট জাৰি কৰাৰ ক্ষেত্ৰত পুলিছ ভেৰিফিকেশ্বন এটা অতি গুৰুত্বপূৰ্ণ উপাদান সেয়ে ক্ষীপ্ৰ পুলিছ ভেৰিফিকেশ্বণ সম্পন্ন কৰাৰ উদ্যোগৰ স্বীকৃতিৰ কাৰণে গয়া,হাৰিয়ানা,আৰু দিল্লী পুলিছ এই তিনিটা পুলিছ বিভাগক সন্মানিত কৰা হয় ।

৬. বিদেশ পৰিক্ৰমা মন্ত্ৰনালয়ৰ ৰাজ্যিক মন্ত্ৰী জেনেৰেল ভি.কে.সিঙে(অৱসৰ প্ৰাপ্ত)কেন্দ্ৰীয় পাচপোৰ্ট কাৰ্য্যলয়ৰ কামকাজৰ তথা উত্তৰ-পূৱৰ পিএচকে সমূহৰ কাৰ্য্যকৰী কৰাৰ বাবে প্ৰশংসা কৰে ।তেওঁ

আশা প্ৰকাশ কৰে যে চিপিও কৰ্মী সকলৰ নতুন উদ্যমে লক্ষ্যত উপনীত হোৱাৰ বাবে আৰু অধিক সফলতা( milestone)অৰ্জন কৰিব পাৰিব ।

৭.পাচপোৰ্ট সেবা দিৱসে পাচপোৰ্ট বিষয়া সকলৰ সন্মিলনৰ উদ্বোধন কৰে বিদেশ সচিব ড:এচ.জয়শংকৰে ।এই অনুষ্ঠানত বিদেশ সচিব গৰাকীয়ে গুৰুত্ব আৰোপ কৰে যে এই অনুষ্টান পালন আৰু সোৱৰন কৰাৰ মাজেৰে সংগঠনৰ সামৰ্থ্য আৰু দূৰ্বলতা অৰু সফলতা আৰু বিফলতাৰ পৰ্য্যালোচনাৰ সুযোগ প্ৰস্তুত কৰি দিয়ে আৰু ভূল সমুহ সংশোধনৰ উপায় সন্ধানৰ এক মাধ্যম হৈ উঠে ।বিশেষকৈ পাচপোৰ্ট আবেদনকাৰী সকলৰ অভিযোগসমুহ প্ৰতিকাৰ কৰাৰ বিষয়ত গুৰুত্ব দিয়াৰ পক্ষে পাচপোৰ্ট বিষয়াসকলৰ দৃষ্টি আকৰ্ষণ কৰে ।

৮.পাচপোৰ্ট সেৱাৰ শুভাৰাম্ভৰ পৰা আজি পৰ্যন্ত ২.৮ কোটী পাচপোৰ্ট সেৱাৰ কাম কৰা হৈছে । এই সন্মিলনত পাচপোৰ্ট বিতৰণৰ সামগ্রিক প্ৰক্ৰিয়া,বিশ্বাসযোগ্যতা,ক্ষীপ্ৰতা,নিৰাপত্তা আৰু স্বচ্ছতাৰ বিষয়ত আলোচনা কেন্দ্ৰীভূত হয় ।চিপিও কৰ্মীসকলৰ কৰ্ম-দক্ষতাৰ ভাৰসাম্য বৃদ্ধিৰ কাৰণে যোগ অভ্যাস অনুষ্ঠান কৰ্মসূচীত অৰ্ন্তভূক্ত কৰা হয় ।কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সমন্বয়ৰ এক গুৰুত্বপূৰ্ণ যোগাযোগৰ মাধ্যম হিচাবে পাচপোৰ্ট বিষয়াসকলক চোৱা হয় ।

নতুন দিল্লী

২৭ জুন ২০১৫